# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-05-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ৰীমাল ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ঘটনাত অসমত ছজন, মিজোৰামত ২৮জন আৰু মেঘালয়ত এজন লোকে প্ৰাণ হেৰুৱাইছে। ধাৰাসাৰ বৰষুণৰ সৈতে অহা প্ৰচণ্ড ধুমুহাৰ ফলত ভালেমান অঞ্চলত গছ, বিদ্যুতৰ খুটা উভালি পৰিছে আৰু বিদ্যুৎ তথা ইণ্টাৰনেট সেৱা ব্যাহত হৈ আছে। বৰষুণৰ বাবে ঠাইবিশেষে হোৱা ভূমিস্খলনত বহু লোক ক্ষতিৰ সন্মুখীন হৈছে। আজি **গুৱাহাটী**ৰ লালগণেশৰ কৃষ্ণনগৰত ভূমিস্খলনৰ ফলত দুবছৰীয়া শিশু এটিৰ শুই থকা অৱস্থাত মৃত্যু হয়। ইপিনে, বিলাসীপাৰাত আজি প্ৰচণ্ড ধুমুহাত অটো এখন বাগৰি পৰাত এজন শিক্ষাৰ্থীৰ মৃত্যু হোৱাৰ উপৰি তেওঁৰ মাতৃ গুৰুতৰভাৱে আহত হয়।

অসমত কালি ধাৰাসাৰ ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত চাৰিজন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হয়।

অসম চৰকাৰে শেহতীয়া দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনাৰ বাবে আজি ১০০ কোটি টকা মুকলি কৰি দিছে। শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা আজি মুখ্যমন্ত্ৰীৰ সৈতে ভি ডি অ' কনফাৰেঞ্চত অংশগ্ৰহণ কৰাৰ পাছত ৰাজ্যৰ ৰাজহ তথা দুৰ্যোগ প্ৰশমন মন্ত্ৰী যোগেন মহনে এই বিষয়ে প্ৰকাশ কৰে। বাৰিষাৰ সময়ছোৱাত ল'বলগীয়া প্ৰয়োজনীয় ব্যৱস্থা সম্পৰ্কে আলোচনাৰ বাবে আয়োজিত এই বৈঠকত বিশেষকৈ সামুদ্ৰিক ধুমুহা ৰীমাল সন্দৰ্ভত আলোচনা কৰা হয়। ৰীমালৰ পৰা হোৱা ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ লগতে ক্ষতিগ্ৰস্তসকলক কিদৰে সহায় কৰিব পাৰি, সেই বিষয়েও বিতংকৈ আলোচনা কৰা হয়। এই বৈঠকত মন্ত্ৰী মহনে সম্ভাব্য বানৰ বাবে সাজু হৈ থাকিবলৈ সংশ্লিষ্ট সকলো বিভাগক নিৰ্দেশ দিয়ে। ইফালে, শিৱসাগৰ জিলাত ব্যক্তিগত নাও আৰু ফেৰী সেৱা চলাচলৰ স্থগিতাদেশ কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে। লগতে জিলাখনত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈসমূহত মাছ ধৰা কাৰ্যও কাইলৈ পৰ্যন্ত নিষিদ্ধ কৰা হৈছে।

**মাজুলী** জিলাত কালি পুৱাৰেপৰা হোৱা বতাহ-বৰষুণৰ ফলত মাজুলী বৈদ্যুতিক উপ-সংমণ্ডলৰ অধীনৰ ভালেমান অঞ্চলত বৈদ্যুতিক আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হৈছে। কোনো কোনো অঞ্চলত আজিও বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ আছে। বিদ্যুৎ বিভাগে জনসাধাৰণক ধুমুহাত ছিগি থকা বিদ্যুতৰ তাঁৰ কোনো কাৰণতে স্পৰ্শ নকৰিবলৈ আৰু এনে তাঁৰ দেখা মাত্ৰেই বিদ্যুৎ কৰ্মীক জনাবলৈ আহ্বান জনাইছে। তদুপৰি জৰুৰীকালীন সহায়ৰ বাবে কেইবাটাও নম্বৰ মুকলি কৰা হৈছে। জিলাখনত চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠান কাইলৈও বন্ধ ঘোষণা কৰা হৈছে।

**গোলাঘাট** আৰু **কাৰ্বি আংলং** জিলাৰ সীমান্তত বৰষুণ আৰু ধুমুহাৰ ফলত বিস্তৰ ক্ষতি হৈছে। নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি দৈয়াং, দৈগ্ৰোং আৰু কালিয়নী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে বহু লোকৰ বাসগৃহ পানীত বুৰ গৈছে। ধনশিৰি নৈৰ বাঢ়নি পানীয়ে কমাৰগাঁও, সোণাৰি চাপৰি আদি অঞ্চল বুৰাই পেলাইছে। অঞ্চলটোত ৰবি শস্যৰ বিভিন্ন খেতি নষ্ট হৈছে বুলি জানিব পৰা গৈছে।

**বজালী** জিলাত প্ৰাকৃতিক দুৰ্যোগৰ বাবে জৰুৰীকালীন নিয়ন্ত্ৰণ কেন্দ্ৰ সক্ৰিয় কৰি তোলা হৈছে। জিলা প্ৰশাসনে দুৰ্যোগৰ সময়ত সহায়ৰ হাত আগবঢ়াবলৈ এই কেন্দ্ৰসমূহ মুকলি কৰিছে। **ডিব্ৰুগড়** জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে

আজি ডিব্ৰুগড় পশ্চিম ৰাজহ চক্ৰৰ অন্তৰ্গত টিংখাং মাটিকটা এলেকাত উপস্থিত হৈ অঞ্চলটোৰ বান আৰু খহনীয়া সমস্যাৰ বুজ লয়। **বৰপেটা** জিলাৰ ভালেমান অঞ্চলত আজি পুৱাৰ ভাগত হোৱা প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত বৰপেটা চহৰকে ধৰি বিভিন্ন স্থানত ক্ষতি হয়। গছ উভালি পৰি কেইবাটাও পথেৰে যাতায়াত বন্ধ হৈ পৰে যদিও পথসমূহ মুকলি কৰাৰ ব্যৱস্থা কৰা হৈছে। **নগাঁও** জিলাত ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ, কপিলীকে ধৰি নৈসমূহৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। জিলাখনত ঘূৰ্ণী বতাহৰ প্ৰভাৱত বিভিন্ন অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হোৱাৰ লগতে খোৱাপানীৰ অভাৱ পৰিলক্ষিত হৈছে। এই উদ্দেশ্যে নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু নগাঁও পৌৰসভা আজি খোৱাপানী যোগান ধৰে।

ইফালে, বৰাক উপত্যকাত ধাৰাসাৰ বৰষুণৰ ফলত বৰাক আৰু কুশিয়াৰা নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত বহু অঞ্চল প্লাৱিত হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰ আগজাননী মতে শিলচৰৰ অন্নপূৰ্ণা ঘাটত আজি বৰাক নৈৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰিব। ইফালে, ৰাজ্যৰ কেইবাখনো জিলাত প্ৰশাসনে ৰেড এলাৰ্ট ঘোষণা কৰাৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও, হোজাই, কাৰ্বি আংলং, গোলাঘাট, ডিমা হাচাও, কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জত শিক্ষানুষ্ঠানসমূহ বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে। ভূমিস্খলনৰ ফলত বৰাক উপত্যকাৰ বিভিন্ন অঞ্চল, ত্ৰিপুৰা মণিপুৰ আৰু মিজোৰামৰ সৈতেও পথ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে।

ooooo

অহা ২২ জুনৰ পৰা শক্তিপীঠ কামাখ্যাত অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। অম্বুবাচীৰ সময়ছোৱাত প্ৰতিবছৰে নীলাচল পাহাৰৰ বুকুত অৱস্থিত কামাখ্যা মন্দিৰত দেশ-বিদেশৰ লাখ লাখ ভক্তৰ সমাগম হয়। এইবাৰো এই মেলা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইতিমধ্যে কামাখ্যা দেৱালয় অম্বুবাচী মেলা পৰিচালনা সমিতি গঠন কৰা হৈছে। কামাখ্যা মন্দিৰৰ সৰু দলৈ হিমাদ্ৰী শৰ্মাই আকাশবাণীৰ সংবাদদাতাৰ আগত জনোৱা অনুসৰি ২২ জুনৰ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। ইয়াৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ কৰা হ'ব। অহা ২৬ জুনত অম্বুবাচীৰ নিবৃত্তি হোৱাৰ পাছতেই দেৱীক স্নান কৰোৱাৰ পিছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিয়া হ'ব।

ooooo

সমাপ্ত